**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰাৰ লগতে ১৩২ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। লখিমপুৰ বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৮০৪ গৰাকী মহিলাক মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা পুঁজিৰ চেক প্ৰদান কৰিব। অনুষ্ঠানটোত ৰাজ্য চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, লোকসভাৰ সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক মানৱ ডেকাই মুখ্যমন্ত্ৰীক সংগ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ৩০ কোটি টকা ব্যয় সাপেক্ষে জহিওঁত নিৰ্মাণ কৰা নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰিব। লগতে ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পয়-প্ৰণালী নিষ্কাষণ প্ৰকল্প, ৪০ কোটি টকা ব্যয় সাপেক্ষে অসম মালা আঁচনিৰ অধীনত ন-আলিৰ পৰা কলিতাগাঁও চাৰিআলিলৈ পথৰ উন্নীতকৰণ প্ৰকল্প আৰু ৫২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ নতুন ভৱনৰো মুখ্যমন্ত্ৰীয়ে আজি আধাৰশিলা স্থাপন কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিৰ মুঠ ৬৮ হাজাৰ ৯৪২ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে। গ্ৰামাঞ্চলক অৰ্থনৈতিকভাৱে শক্তিশালী কৰাৰ ক্ষেত্ৰত মহিলাসকলৰ সবলীকৰণৰ বিশেষ গুৰুত্ব আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে বহিঃৰাজ্যৰ পৰা বিভিন্ন সামগ্ৰীৰ আমদানি হ্ৰাস কৰি ৰাজ্যখনক স্বাৱলম্বী কৰাৰ যাত্ৰা এই মহিলাসকলৰ পৰা আৰম্ভ কৰিবলৈ বিচাৰিছে।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত ঢকুৱাখনাৰ বান আৰু খহনীয়া প্ৰতিৰোধৰ উপৰি জিলাখনৰ ঐতিহ্যৰ সুৰক্ষা তথা জনজীৱনৰ সেৱাৰ অৰ্থে ২৭২ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ডঃ শৰ্মাই ঢকুৱাখনাৰ বান আৰু খহনীয়াৰ সমস্যা সমাধানৰ দীৰ্ঘম্যাদি পদক্ষেপ হিচাপে জলবায়ু সহনশীল ব্ৰহ্মপুত্ৰ সংহত বান আৰু খহনীয়া বিপৰ্যয় ব্যৱস্থাপনা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বামুণী চাপৰিৰ পৰা টেকেলিফুটালৈ এই প্ৰকল্প নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ২০ কোটি টকা ব্যয়েৰে ৩৬ বিঘাৰো অধিক ভূমিত নিৰ্মাণ হ'বলগীয়া ফাট বিহু ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ঐতিহাসিক শ্ৰীশ্ৰীবাসুদেৱ থানৰ উন্নয়নৰ বাবে প্ৰথম পৰ্যায়ত ২০০ বিঘাৰো অধিক ভূমি সামৰি ৰূপায়ণ হবলগীয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি ১০০ খন বিচনাযুক্ত ঢকুৱাখনাৰ মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ আৰু আবাসিক গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। নিশাৰ ভাগত মুখ্যমন্ত্ৰীয়ে ২৫ কোটি টকা ব্যয়েৰে লখিমপুৰত নিৰ্মিত ৮৯০ খন আসনযুক্ত ডঃ ভূপেন হাজৰিকা টাউন হল নামৰ অত্যাধুনিক প্ৰেক্ষাগৃহ উদ্বোধন কৰে।

ডঃ শৰ্মাই কালিৰ অনুষ্ঠানতে মাজুলী-বগীবিল সংযোগী মথাউৰি পথটো উন্নত কৰি ৰাজ্যিক ঘাইপথ হিচাপে নিৰ্মাণৰ কথা ঘোষণা কৰে। তেওঁ লগতে ঢকুৱাখনাত এথলেটিক ট্ৰেকৰ সৈতে এখন জিলা পৰ্যায়ৰ ষ্টেডিয়াম নিৰ্মাণৰ বাবে ৫০ কোটি টকা প্ৰদানৰ কথা ঘোষণা কৰে।

০০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰয়াত ৰাজনীতিবিদ তথা বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ শেষকৃত্য আজি শিলচৰৰ শ্মশানঘাটত সম্পন্ন হ'ব। শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা তেওঁৰ নশ্বৰ দেহ কাছাৰ জিলা বিজেপিৰ কাৰ্যালয়লৈ নিয়া হ'ব। ইয়াৰ পাছত তেওঁৰ নশ্বৰ দেহ জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰলৈ লৈ যোৱা হ'ব আৰু পাছত তেওঁৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ কালি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৯৫ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৩১ চনৰ ১৫ ডিচেম্বৰত অবিভক্ত অসমৰ শ্ৰীহট্ট জিলাৰ কমাৰশালত জন্মগ্ৰহণ কৰা পুৰকায়স্থৰ পৰিয়ালে পৰৱৰ্তী কালত কাছাৰ জিলাত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। যুৱ অৱস্থাতে তেতিয়াৰ ভাৰতীয় জনসংঘত যোগদান কৰা কবিন্দ্ৰ পুৰকায়স্থই কেৱল বৰাক উপত্যকাতে নহয় বৰং সমগ্ৰ ৰাজ্যতে ভাৰতীয় জনতা পাৰ্টিৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। দলৰ স্বাৰ্থত তেওঁ এখন বিদ্যালয়ৰ অধ্যক্ষৰ পদ ত্যাগ কৰি সম্পূৰ্ণৰূপে দলীয় কাম-কাজত মনোনিৱেশ কৰিছিল। ১৯৯১ চনত তেওঁ প্ৰথমবাৰৰ বাবে লোকসভালৈ নিৰ্বাচিত হয়। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকী ১৯৯৮ চনৰ পৰা ১৯৯৯ চনলৈ অটল বিহাৰী বাজপেয়ী চৰকাৰৰ যোগাযোগ বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী আছিল।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও মন্ত্ৰী-বিধায়কে শোক প্ৰকাশ কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপক গৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে আজি সকলো দলীয় কাৰ্যসূচী বাতিল কৰাৰ লগতে দলটোৰ সকলো কাৰ্যালয়ত দলীয় পতাকা অৰ্ধনমিত কৰি ৰাখিবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আহ্বান জনাইছে।

০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত ডিব্ৰুগড় জিলাত কালিৰেপৰা বানৰ সময়ত তাৎক্ষণিক ব্যৱস্থাপনা সন্দৰ্ভত কৰ্মশালা আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ অধীনত জিলাখনৰ প্ৰতিটো ৰাজহ চক্ৰত ৩ দিনীয়াকৈ বান বিষয়ক আখৰা অনুষ্ঠিত হৈছে। তদুপৰি বানৰ সময়ত সম্ভাব্য পৰিস্থিতি, বিভিন্ন বিভাগৰ দায়িত্ব, তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু বিভিন্ন বিভাগৰ মাজৰ সমন্বয় আদি বিষয়ত আলোচনা অনুষ্ঠিত হৈছে। কৰ্মশালাত ৰাজহ, অগ্নি নিৰ্বাপক বাহিনী, স্বাস্থ্য বিভাগ, নাগৰিক সুৰক্ষা বিভাগ, আৰক্ষী আৰু স্বেচ্ছাসেৱী সংগঠনৰ লোকে অংশগ্ৰহণ কৰিছে।

০০০০০০

মাজুলী জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ যৌথ উদ্যোগত  কালি গেৰেকী অঞ্চলৰ প্ৰায় ১০০ বিঘা মাটিত বাণিজ্যিক ভিত্তিত গোমধান খেতিৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া কে ৰাহাটকাৰ আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে এই কাৰ্যসূচী উদ্বোধন কৰে। উল্লেখযোগ্য যে কৃষি বিভাগে কৃষকক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে একেডৰা মাটিতে কেইবাতৰপীয়া খেতি কৰা নীতিক সাৰোগত কৰি জিলা প্ৰশাসনে মাজুলীৰ কৃষকসকলক পৰম্পৰাগত খেতিৰ লগতে বাণিজ্যিক শস্যৰ খেতি কৰিবলৈ উদগণি যোগাইছে।

০০০০০০

**সমাপ্ত**